**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-SEPTEMBER-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

———————————————————————————

HEADLINES

১। ৰাজ্যৰ সত্ৰ-নামঘৰসমূহত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজনৈতিক জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো অহা ১৭ ছেপ্তেম্বৰৰ পৰা মাহজোৰা কাৰ্যসূচীৰে সেৱা সংকল্প অভিযান।

৩। দেশজুৰি আজি চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত।

আৰু

৪। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে অষ্টাদশ ব্ৰীকছ্ সন্মিলন।

oooooo

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৮ সংখ্যক তিৰোভাৱ তিথি। প্ৰতি বছৰে ভাদ মাহত অনুষ্ঠিত গুৰুজনাৰ এই তিথিত তেওঁৰ আধ্যাত্মিক তথা সাংস্কৃতিক অৱদান সুঁৱৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰ হৈ পৰে।

মাজুলীৰ কেইবাখনো সত্ৰত আজি ৰূপান্তৰৰ খনিকৰ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। সত্ৰ-নামঘৰসমূহ আজি পুৱাৰে পৰা নাম-প্ৰসংগ, গীত-নৃত্য আৰু গুৰুবন্দনাৰে মুখৰিত হৈছে। উজনি মাজুলীৰ নৱ ৰতনপুৰ গাঁৱৰ আইসকলে গুৰুজনাৰ তিথি উপলক্ষে নাম পৰিৱেশন কৰিছে।

(বাইট)

গুৰুজনাৰ তিৰোভাৱ তিথি আজি সমগ্ৰ বৰপেটাতে উলহ-মালহেৰে পালন কৰা হৈছে। ঐতিহ্য মণ্ডিত বৰপেটা সত্ৰত কীৰ্তন মহোৎসৱৰূপে এই তিথি পালন কৰা হয়।

কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজনৈতিক জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ **সেৱা সংকল্প অভিযান- জনসেৱাই নাৰায়ণ সেৱা** শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বিজেপিৰ বৰ্ধিত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই সময়ছোৱাত পৰ্যায়ক্ৰমে

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰক্তদান শিবিৰ, স্বাস্থ্য সেৱামূলক কাৰ্যসূচী, স্বচ্ছতা অভিযান, যুৱ ছাত্ৰসকলৰ বাবে বিভিন্ন প্ৰতিযোগিতা আৰু সামাজিক সচেতনতা বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

(বাইট ঃ ডং শৰ্মা)

মুখ্যমন্ত্ৰীয়ে অহা ১৯ ছেপ্তেম্বৰত জুবিন গাৰ্গৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন স্থানত ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব বুলি প্ৰকাশ কৰে। **সেৱা সংকল্প অভিযান**ৰ অংশ হিচাপে ১৭ ছেপ্তেম্বৰৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত মাহজোৰা স্বচ্ছতাই সেৱা অভিযানো ৰূপায়ণ কৰা হ'ব। ৰাজ্যত এই অভিযানৰ প্ৰস্তুতি সন্দৰ্ভত কালি লোকসেৱা ভৱনৰ মুখ্য সচিবৰ কাৰ্যালয়ৰ সভাকক্ষত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ৰ সভাপতিত্বত ৰাজ্যিক পৰ্যায়ৰ সমন্বয় সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সকলো জিলা আয়ুক্ত আৰু নগৰ স্থানীয় নিকায়ৰ প্ৰতিনিধিয়ে ভাৰ্চুৱেলী অংশগ্ৰহণ কৰা এই বৈঠকত স্বচ্ছতাই সেৱা অভিযানৰ প্ৰস্তুতি আৰু প্ৰস্তাৱিত কাৰ্যসূচীসমূহ বিতংভাৱে পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে বিভিন্ন বিভাগক নিৰ্দিষ্ট দায়িত্ব অৰ্পণ কৰাৰ লগতে জিলা আয়ুক্তসকলক শীঘ্ৰেই কাৰ্য পৰিকল্পনা প্ৰস্তুত আৰু চূড়ান্ত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে নগৰীয়া স্থানীয় নিকায় আৰু গাঁও পঞ্চায়তসমূহৰ সৈতে সমন্বয় স্থাপনেৰে এই অভিযানৰ সুচাৰু ৰূপায়ণ আৰু সময়মতে অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে এই অভিযানৰ সময়ছোৱাত পৰিচ্ছন্ন পাঠশালা আৰু যুৱ কাৰ্যসূচী, অধিক জনসমাগম হোৱা স্থানত পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান, জন ভাগীদাৰী সজাগতা অভিযান, বিশ্ব পৰ্যটন দিৱস উপলক্ষে পৰিচ্ছন্ন পৰ্যটনস্থলী, চাফাই মিত্ৰ সুৰক্ষা আৰু সন্মান শিবিৰ আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। বৈঠকত ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডং ৰবি কোটা আৰু সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থকাৰ উপৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়।

০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত আৰক্ষীয়ে অভিযান চলাই ২৯ টা গৰুভৰ্তি এখন ট্ৰাক জব্দ কৰে। আৰক্ষীয়ে আছিকুল হক আৰু আব্বাছ আলী নামৰ দুজন লোককো গ্ৰেপ্তাৰ কৰে। জিলাখনৰ উপ-আৰক্ষী অধীক্ষক টিংকুজিৎ চৌধুৰীৰ নেতৃত্বত চলা এই অভিযান সন্দৰ্ভত শ্ৰী চৌধুৰীয়ে এইদৰে কয় –

বাইট

০০০০০০

শোণিতপুৰ জিলাৰ টুবুকিঝাৰত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত পাঁচগৰাকী লোকৰ মৃত্যু হয়। এখন তীব্ৰবেগী ট্ৰাকে বিপৰীত দিশৰ পৰা অহা ইক' ভান এখনত খুন্দা মৰাৰ ফলত ইক ভানখন দঁ খাৱৈত বাগৰি পৰি দুৰ্ঘটনাটো সংঘটিত হয়। নিহত লোককেইজন সঞ্জয় মেচ, লাটুমণি বৰা, প্ৰাঞ্জল বনিয়া, হৰবিন্দ হাজোৱাৰী আৰু নয়ন স্বৰ্গীয়াৰী বুলি চিনাক্ত কৰা হৈছে। আটাইকেইগৰাকীৰে ঘৰ ওহনী পথাৰ বটাবাৰীত বুলি জানিব পৰা গৈছে।

০০০০০০

চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত আজি দেশজুৰি অনুষ্ঠিত হৈছে। লোক আদালতৰ জৰিয়তে দেৱানী, আপোচবিহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক-পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হ'ব। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত ৰাষ্ট্ৰীয়

লোক আদালতৰ আয়োজন কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ২ সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে অষ্টাদশ ব্ৰীকছ্ সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে ভালেসংখ্যক বিদেশী নেতা আৰু জ্যেষ্ঠ বিষয়া নতুন দিল্লীত উপস্থিত হৈছে। ব্ৰাজিল, চীন, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ভাৰত, ৰাছিয়া, ইৰাণ, চৌদি আৰৱ, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইকে ধৰি ১১খন গুৰুত্বপূৰ্ণ বিকাশশীল অৰ্থব্যৱস্থাৰ দেশে ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰিব।

বেলাৰুছৰ বিদেশ মন্ত্ৰী মেক্সিছ ৰায়জেনক'ফ ব্ৰিক্ছ সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লী মিন্হ হুংগো নতুন দিল্লীত উপস্থিত হয়। তেওঁক অসামৰিক বিমান পৰিবহণ বিভাগৰ ৰাজ্যমন্ত্ৰী মুৰুলীধৰ মহলে বিমান বন্দৰত আদৰণি জনায়। বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালকপ্ৰধান টেড্ৰছ অধনাম ঘেব্ৰিয়েছো আজি পুৱা সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে নতুন দিল্লীত উপস্থিত হয়।

ব্ৰিকছ্ সন্মিলন সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে সন্মিলনৰ বাবে উপস্থিত হোৱা বিশ্বৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো দেশৰ নেতাৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব আৰু বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰি জনসাধাৰণৰ কল্যাণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবাবো ছুবিয়াণ্টোই যোৱা নিশা ৰাজধানী মহানগৰখনত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীক কেন্দ্ৰীয় কয়লা আৰু খনি ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবেই বিমান বন্দৰত আদৰণি জনায়।

বুৰুণ্ডিৰ ৰাষ্ট্ৰপতি এভাৰিষ্টে নাডাইছিমিয়ে আফ্ৰিকান ইউনিয়নক প্ৰতিনিধিত্ব কৰি ব্ৰীকছ্ সন্মিলনত অংশগ্ৰহণৰ বাবে কালি নতুন দিল্লীত উপস্থিত হয়। তেওঁক কেন্দ্ৰীয় গধূৰ উদ্যোগ আৰু তীখা ৰাজ্য মন্ত্ৰী ভূপাথীৰাজু শ্ৰীনিবাস বাৰ্মাই আদৰণি জনায়।

আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ান আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমেও ইতিমধ্যে ভাৰতত উপস্থিত হৈছে। দুয়োগৰাকী অতিথিক কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে বিমান বন্দৰত আদৰণি জনায়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে আবুধাবিৰ যুৱৰাজগৰাকীৰ ভাৰতলৈ এই আগমনৰ সুবাদতে ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ মাজত সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব শক্তিশালী হ'ব আৰু বাণিজ্য তথা শক্তি সুনিশ্চিতকৰণৰ দিশত ই ইতিবাচক প্ৰভাব পেলাব। ভাৰত আৰু মালয়েছিয়াৰ দীৰ্ঘদিনীয়া ঘনিষ্ঠ সম্বন্ধৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভাৰত ভ্ৰমণে বাণিজ্য, বিনিয়োগ, ডিজিটেল অৰ্থনীতি, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত দুয়ো দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰিব।

ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল ফটাহ অল ছিছি, ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি মহম্মদ আলীও কালি সন্ধিয়া নতুন দিল্লীত উপস্থিত হয়। দুয়োগৰাকী নেতাক কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় সেথে আদৰণি জনায়। উল্লেখযোগ্য যে ভাৰত আৰু ইজিপ্তৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। একেদৰে ভাৰত আৰু ইথিওপিয়াই কৌশলগত অংশীদাৰিত্বৰে বিভিন্ন খণ্ডত একেলগে কাম কৰি আহিছে।

ফিলিপিন্সৰ ৰাষ্ট্ৰপতি ভাৰ্ডিনান্দ মাৰ্কোছ জুনিয়ৰ, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, ৰাছিয়াৰ উপ-প্ৰধানমন্ত্ৰী এলেক্সে অভাৰচ্যুক আৰু থাইলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ছিহাছক ফুনাংগকেটকেও আৰু নাইজেৰিয়াৰ উপ-ৰাষ্ট্ৰপতি কাছিম ছেট্টিমা কালি নতুন দিল্লীত উপস্থিত হয়।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত 'জুবিন গাৰ্গৰ গানৰ সাংগীতিক বৈশিষ্ট্য আৰু বিবিধতা' বিষয়ক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট সুৰকাৰ, কণ্ঠশিল্পী, সংগীত পৰিচালক জে পি দাস, লেখক, কবি, সাংস্কৃতিক সমালোচক সমুদ্ৰ কাজল শইকীয়া আৰু আকাশবাণীৰ ঘোষক, গায়ক তথা ভইচ ক্ৰাফ্‌টৰ প্ৰতিষ্ঠাপক ভাস্কৰজ্যোতি আচাৰ্যই। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙীয়া আৰু জিণ্টী ৰাণী ডেকাই।

০০০০০০

প্ৰধানমন্ত্ৰী কিষান মানধন যোজনাই সাত বছৰ সম্পূৰ্ণ কৰিছে। ২০১৯ চনৰ ১১ ছেপ্তেম্বৰত এই আঁচনি মুকলি কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে ৬০ বছৰ বয়সৰ পৰা ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলক মাহিলি পেন্সন দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰতি মাহে এই আঁচনিৰ অধীনত ৬০ বছৰ পাৰ কৰা কৃষকসকলক তিনি হাজাৰ টকাকৈ পেন্সন দি অহা হৈছে। ইয়াৰ জৰিয়তে খেতিয়কসকলে বৃদ্ধ বয়সত বিত্তিয় নিৰাপত্তাৰ লগতে সন্মানো লাভ কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰীয়াৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ১৮ লাখ ৭৭ হাজাৰ বাসগৃহত অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে এই আঁচনিখনৰ ৰূপায়ণ অধিক ত্বৰান্বিত কৰাৰ লগতে নগৰাঞ্চলত 'সকলোৰে বাবে গৃহ'ৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে। যোৱা বৃহস্পতিবাৰে নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় অনুমোদন তথা নিৰীক্ষণ সমিতিৰ নৱমখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ নগৰ উন্নয়ন বিভাগৰ সচিব সত্যেন্দ্ৰ সিঙে এই বৈঠকত পৌৰহিত্য কৰে।

০০০০০০

**সমাপ্ত**